# লোকসংস্কৃতি

১/ **লোক পৰিৱেশ্য কলা বুলিলে কি বুজা?**

**উত্তৰঃ** লোক পৰিৱেশ্য কলা লোক জীৱনৰ অতিকৈ গুৰুত্বপূৰ্ণ আৰু অন্তিম কলা। লোক সমাজৰ পৰম্পৰাগত সংগীত, নৃত্য আৰু নাট, লোক-বাদ্যযন্ত্ৰ আৰু সমুদায় পৰিবেশন  কৰা ব্যবস্থাটোকে বুজায়।

২/ **লোক সংস্কৃতিৰ বিষয়বস্তুক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰিব পাৰি? ভাগ কেইটা কি কি ?**

**উত্তৰঃ** লোক সংস্কৃতিৰ বিষয়বস্তুক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি। ভাগবোৰ হ'ল- (ক) লোক – সাহিত্য আৰু (খ) লোক জীৱন।

৩/ **"সমাজৰ পৰিবৰ্তনৰ লগে লগে লোক– সংস্কৃতিৰো পৰিৱৰ্তন ঘটে।"- তোমাৰ পাঠৰ আলমত কথাষাৰ বুজাই লিখা।**

**উত্তৰঃ** সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ ধ্যান- ধাৰণা চিন্তা-ধৰা, ৰুচিবোধ আদি যেনেকৈ পৰিৱৰ্তন হয়, পৰিৱৰ্তন হয় যুগ যুগ ধৰি প্ৰচলিত হৈ অহা লোক সংস্কৃতিৰ উপদানসমূহৰ। আগৰ সমাজ ব্যৱস্থা আছিল নিৰক্ষৰ হোজা – সেই- সময়ত লোক হিংস্কৃতি মানুহে যিভাৱে পালন কৰি আছিল; শিক্ষিত সমাজ বা আধুনিক সমাজত ইয়াৰ পৰিৱৰ্তন হোৱাটো তেনেই স্বাভাৱিক। সেয়ে হ'লেও লোক সংস্কৃতিয়ে কিন্তু নিজস্ব নেহেৰুৱে;মাত্ৰ পৰিৱৰ্তিত সমাজত ইয়াৰ কায়িকৰূপ সলনি হয়।

৪/ ***ঐক্য সাধনৰ ক্ষেত্ৰত কি কি ভাৰতীয় গ্ৰন্থই সহায় কৰি আহিছে?***

**উত্তৰঃ** ভাৰতৰ প্ৰাচীন কালৰে পৰা আদৰ্শৰ ক্ষেত্ৰত ঐক্য ভাব দেখা যায়। বৈচিত্ৰৰ মাজত ঐক্য হ'ল ভাৰতীয় সংস্কৃতিৰ আধাৰ। প্ৰাচীন কালৰে পৰা মুঠতে কেইখনমান গ্ৰন্থই ভাৰতীয় ঐক্য-সংহতি বজাই ৰখাত বিশেষ সহায় কৰি আহিছে। সেই কেইখন হ'ল- বেদ-উপনিষদ, গীতা-ভাগৱত, ৰামায়ণ,মহাভাৰত আদি।

৫/ **লোক কৃষ্টি বুলিলে কি বুজা?**

**উত্তৰঃ** কোনো এখন সমাজৰ বা জাতিৰ আচাৰ-ব্যৱহাৰ,খোৱা-লোৱা, উৎসৱ-পৰ্ব, পূজা-পাতল, ৰীতি-নীতি আদিৰ সমষ্টিকে লোক কৃষ্টি বোলা হয়।

৬/ **সামাজিক আচাৰ – অনুষ্ঠান মানে কি?**

**উত্তৰঃ** মৌখিক সাহিত্যই পৰম্পৰাগত সাহিত্য, পৰম্পৰাগত জীৱন আৰু মৌখিক সাহিত্য । এটি মুদ্ৰাৰ ইপিটি-সিপিঠিস্বৰূপ । সমাজ জীৱনত পালন কৰা জন্ম-বিবাহ, কৃষি, মৃত্যু বিষয়ত ৰীতি-নীতি, আচাৰ-অনুষ্ঠান । লোক বিশ্বাসো ইয়াৰ ওপৰত নিৰ্ভৰশীল ।